জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৭৪/২০১৯

নতুন দিল্লীত ৰাজ্যখনৰ নৱ নিৰ্বাচিত সাংসদ আৰু অসম কেডাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মুখ্যমন্ত্রীৰ মত-বিনিময়

ৰাজ্যখনৰ সৰ্বাংগীন উত্তৰণৰ দিশত ঐক্যৱদ্ধভাৱে 'টীম অসম'ৰ মানসিকতাৰে কাম কৰাৰ বাবে মুখ্যমন্ত্রীৰ আহ্বান

দিছপুৰ, ৪ জুলাই ঃ মুখ্যমন্ত্রী সৰ্বানন্দ সোণোৱালে কালি নতুন দিল্লীত বিজেপি মিত্রজোঁটৰ লোকসভা আৰু ৰাজ্য সভাৰ সাংসদ সকলৰ লগতে দিল্লীস্থ অসম কেডাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এক বৈঠকত মিলিত হৈ ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়নৰ স্বাৰ্থত সাংসদ তথা জ্যেষ্ঠ বিষয়াসকলে 'টীম অসম'ৰ মানসিকতাৰে কাম কৰাৰ বাবে আহ্বান জনায়। বৈঠকত নৱ নিৰ্বাচিত সাংসদ সকলে তেওঁলোকে সংসদত লাভ কৰা অভিজ্ঞতা বিস্তৃতভাৱে মুখ্যমন্ত্রীক ব্যক্ত কৰে।

নৱ নিৰ্বাচিত সাংসদ সকলৰ লগতে জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মত-বিনিময় কৰি মুখ্যমন্ত্রী সোণোৱালে কয় যে অসম আৰু অসমবাসীৰ স্বাৰ্থ জড়িত গুৰুত্বপূৰ্ণ বিষয় সমূহ সংসদৰ মজিয়াত শক্তিশালীভাৱে উত্থাপন কৰাৰ দিশত সাংসদ সকলে বলিষ্ঠ ভূমিকা ল'ব লাগিব। অসমৰ বিভিন্ন সমস্যাৰাজি সংসদৰ মজিয়াত যাতে সৱল ৰূপত উত্থাপন হয় ইয়াৰ বাবে সাংসদ তথা বিষয়া বৰ্গৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰি এই দিশত উপযুক্ত পৰিকল্পনা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত জ্যেষ্ঠ বিষয়াসকলে সাংসদ সকলক সহায়-সহযোগিতা আগবঢ়াব লাগিব বুলিও মুখ্যমন্ত্রীয়ে কয়। মুখ্যমন্ত্রীয়ে সাংসদ সকলক জ্যেষ্ঠ বিষয়াসকলে বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়াই অসম আৰু অসমবাসীৰ স্বাৰ্থত সু-পৰিকল্পিতভাৱে কাম কৰি যাবলৈও আহ্বান জনায়। ৰাজ্যখনৰ বিভিন্ন গুৰুত্বপূৰ্ণ প্ৰকল্প সম্বন্ধীয় বিষয়বোৰ সংসদৰ মজিয়াত তথ্য আৰু যুক্তি সহকাৰে সবিস্তাৰে কিদৰে উত্থাপন কৰিব লাগে তাৰ বাবে বিভিন্ন বিভাগৰ দায়িত্বত থকা বিষয়াসকলৰ লগত সাংসদ সকলে সৌহাৰ্দপূৰ্ণভাবে কাম কৰি যোৱাৰ ওপৰতো মুখ্যমন্ত্রী সোণোৱালে গুৰুত্ব আৰোপ কৰে। এই সন্দৰ্ভত মুখ্যমন্ত্রীয়ে কয় যে সকলোৱে ঐক্যৱদ্ধভাৱে কাম কৰিলেহে অসমৰ স্বাৰ্থ জড়িত বিষয়সমূহে সংসদৰ মজিয়াত প্ৰাধান্যতা লাভ কৰিব।

বৈঠকত মুখ্যমন্ত্রীয়ে লগতে কয় যে প্ৰধানমন্ত্রী নৰেন্দ্ৰ মোডীৰ নেতৃত্বৰ কেন্দ্রীয় চৰকাৰে পূৰ্বৰে পৰা অসমৰ সৰ্বাংগীন উন্নয়নৰ দিশত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি আহিছে। বিভিন্ন বৃহৎ প্ৰকল্প ৰূপায়ন কৰাৰ উপৰি 'এক্ট ইষ্ট পলিচি' ৰূপায়নৰ পদক্ষেপে ৰাজ্যখনৰ দ্রুত উন্নয়নৰ দিশত বিশেষ মাত্রা বহন কৰিছে। সেয়েহে নতুন সাংসদ আৰু জ্যেষ্ঠ বিষয়াসকলৰ মাজৰ সমন্বয় সাধনেৰে এই প্ৰক্রিয়াক আৰু অধিক আগুৱাই লৈ যাব লাগিব বুলিও মুখ্যমন্ত্রীয়ে কয়।

বৈঠকত খাদ্য প্ৰস্তুতকৰণ আৰু সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্রী ৰামেশ্বৰ তেলীয়েও বক্তব্য প্রদান কৰে। বৈঠকত নৱ নিৰ্বাচিত সাংসদ সকল ক্রমে প্রদান বৰুৱা, তপন কুমাৰ গগৈ, দিলীপ শইকীয়া, কুইন ওজা, হৰেন সিং বে, কৃপানাথ মাল্লা, ৰাজদ্বীপ ৰয়, পল্লৱ লোচন দাস, বিৰেন্দ্র প্রসাদ বৈশ্য, কামাখ্যা প্রসাদ তাছা, বিশ্বজিৎ দৈমাৰী আৰু অসম কেডাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল।

সুঃদঃ / বঃভাঃ
৪/৭/২০১৯